আৰু বহুত ডাঙৰ মানুহ হ'লে ঘূৰি আহিম বুলি মাইঁতে কৈছে। মই কিন্তু তাৰ পৰা আকৌ আমেৰিকালৈ গুচি যাম জানা...।”

পৰীক্ষিতৰ এনে লাগিল যেন প্ৰশান্ত-বিদিশাই পি এছ এল ভি লাঞ্চাৰেৰে ৰকেট এটা উৰুৱাবলৈহে প্ৰস্তুতি চলাইছে। সুদৰ্শন তাৰ দোকানখনত ব্যস্ত হৈ পৰিছে। সন্ধিয়া নদীৰ পাৰত মুকলি বতাহৰ সন্ধানত অহা মানুহবোৰে ভিৰ কৰিছেহি। মহানগৰীৰ আৱৰ্জনা কঢ়িয়াই কজলা হৈ পৰা নদীৰ পানীত বালি তোলা নাওবোৰে হেন্দোলনি তুলি আছে। অৱশ্যে চুৰাট এতিয়া যথেষ্ট সুপৰিকল্পিত, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু অভিজাত মহানগৰ। ১৯৯৪ চনত প্লেগৰ সন্ত্ৰাসৰ পাছতে পৌৰ প্ৰশাসক হিচাপে নিযুক্তি পোৱা সুদক্ষ প্ৰশাসনিক বিষয়া ভি ৰামলিংগস্বামীয়ে যথেষ্ট কঠোৰ পদক্ষেপেৰে মহানগৰখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৱৰ্জনা নিষ্কাশন আদিৰ সুব্যৱস্থা কৰিলে। খোলা নৰ্দমাৰ পৰিৱৰ্তে মাটিৰ তলত সুৰংগ নলাৰ ব্যৱস্থা আৰু আবাসিক অঞ্চলত জধে-মধে গঢ়ি উঠা সৰু-সুৰা কল-কাৰখানাবোৰ উচ্ছেদ কৰি নগৰখনৰ পৰিৱেশ সুন্দৰ আৰু স্বাস্থ্যকৰ কৰি তুলিলে। আনহাতে নতুনকৈ গঢ়ি উঠা আবাসিক আৰু ব্যৱসায়িক অঞ্চলসমূহৰ বাবে পৰিকল্পিত আন্তঃগাঁথনিৰ নিৰ্দেশনা কঠোৰভাৱে বলৱৎ কৰি এটা বিপ্লৱৰ সূচনা কৰা হ'ল। সেই ব্যৱস্থাসমূহ তেতিয়াৰে পৰা সুন্দৰকৈ বৰ্তাই ৰখা হৈছে। বৃহৎ বৃহৎ উৰণীয়া সেতু নিৰ্মাণৰ জৰিয়তে মহানগৰীৰ যাতায়াত ব্যৱস্থা সুচল কৰা হ'ল। চুৰাট হৈ পৰিল পৃথিৱীৰ ভিতৰতে চতুৰ্থ দ্ৰুত হাৰত নগৰাঞ্চল বৃদ্ধি পোৱা বৃহৎ আৰু সুন্দৰ মহানগৰ। প্লেগৰ প্ৰতি সাৱধানতা অৱলম্বন কৰি কেইবাটাও পৰীক্ষাগাৰত নিয়মিত বিভিন্ন স্থানৰ পৰা ধৰি অনা নিগনিবোৰ পৰীক্ষা কৰি থকা হয়। কিন্তু গাঁৱৰ সৰল জীৱনবোৰ এৰি থৈ যেতিয়া মানুহবোৰ নগৰমুখী হয়, চহা অঞ্চলসমূহ যেতিয়া নগৰ বা মহানগৰলৈ পৰিৱৰ্তিত হয়, হৃদয়বোৰ যেন ক'ৰবাত হেৰাই যায়। চিনাকি মুখবোৰ হৈ পৰে অচিন। জীয়াই থকাৰ সংগ্ৰাম, পৰস্পৰক অতিক্ৰমণৰ প্ৰতিযোগিতাই মানুহক যেন ক্ৰমে ক্ৰমে নিঃসংগ আৰু বিচ্ছিন্ন কৰি পেলায়। ওখ ওখ অট্টালিকাবোৰৰ সৰু সৰু বেলকনিবোৰৰ ৰেলিঙত ভৰ দি অনেক নিঃসংগ, অসহায় অৱয়বে যেন চাই ৰয় ক্ৰমে ক্ৰমে অচিনাকি আৰু ৰহস্যময় হৈ পৰা মহানগৰখনলৈ। প্লেগৰ দৰেই এনে মানসিক সংঘাত আৰু অনিশ্চয়তাৰ বাতাৱৰণে যেন মানুহৰ সমাজত সংগোপনে সিঁচি দিয়ে তিক্ততা, উচ্ছৃংখলতা আৰু পাশৱিকতাৰ বীজাণু। মহানগৰখনত মানসিক ৰোগী আৰু বিভিন্ন কাৰণত আত্মহত্যাৰ ঘটনাবোৰ বাঢ়ি আহিছে। অৱশ্যে পৃথিৱীৰ প্ৰায়বোৰ মহানাগৰিক জীৱনত এয়া সুলভ ঘটনা হৈ পৰিছে। সুদৰ্শনহঁতৰ দৰে মানুহবোৰ যেন ক্ৰমশঃ অভ্যস্ত হৈ গৈ আছে পৰিৱৰ্তিত পৰিৱেশত। গ্ৰাহকৰ লগত ব্যস্ত হৈ পৰা সুদৰ্শনক বিৰক্তি দি এজন বৃদ্ধ আহি উদ্বিগ্নতাৰে সুধিছেহি কালি দলংখনৰ পৰা নদীৰ পানীত জাঁপ দি আত্মহত্যা কৰা ছোৱালীজনীৰ কথা—

“মানুহজনীৰ শটো উঠালেনে? কণমানিজনীৰ শটো বোলে বিচাৰি পোৱা নাছিল। ঘৰৰ মানুহ কোনোবা আহিছিলনে?”

সুদৰ্শন বিৰক্ত হৈছে। কৈছে—“মৰি যোৱা মানুহৰ কথা ভাবিবলৈ এতিয়া সময় নাই, মৰিলে মানুহে মুক্তিহে পায়। ছোৱালীজনী আপোনাৰ সম্বন্ধীয়া আছিল নেকি?”

বুঢ়া মানুহজনে কৈছে—“আপোন নহ'লেইবা, চকুৰ আগতে এনে মৰ্মান্তিক দৃশ্য চাই থাকিব পাৰি জানো। কালি মই ইয়াতে আছিলোঁ। ছোৱালীজনীৰ চাল-চলনবোৰ অস্বাভাৱিক দেখিছিলোঁ। হঠাতে তাই কণমানিজনীৰ হাতত ধৰি দলঙৰ পৰা নদীত জঁপিয়াবলৈ লওঁতে মই খেদা মাৰি গৈছিলোঁ। কণমানিজনীৰ আঙুলিকেইটা চোওঁ চোওঁ হওঁতেই সিহঁত তললৈ পৰিলেই। কাষতে আন ভালেমান মানুহ আছিল। কোনো আগবাঢ়ি নাহিল। আমাৰ একমাত্ৰ ছোৱালীজনীও এনেকৈয়ে তিনিবছৰ আগতে হেৰাই গৈছিল। আমি বাপেক-মাকহালক তিলতিলকৈ জীয়াই থাকিবলৈ বাধ্য কৰি ভৰযৌৱনতে কিয় তাই পৃথিৱীৰ মায়া এৰি গুচি গ'ল আমি একো নাজানিলোঁ। সেয়েহে এনে ঘটনা চকুৰ আগতে দেখিলে কেনেকৈ সহ্য কৰোঁ বাৰু...।” বুঢ়াজন হুকহুকাই কান্দি কাষৰ কংক্ৰিটৰ বেঞ্চখনত বহি পৰিল। তেওঁৰ দুচকুৰে সৰি পৰা চকুলোৰ টোপালবোৰ শুকান মাটিবোৰে নিমিষতে শুহি ল'লে।

ঠিকনা ঃ চি ৪/২২, অ এন জি চি, নগৰ-১, ডুমাচ ৰ'ড, মগডেল্লা, চুৰাট-৩৯৪৫১৮, গুজৰাট, ফোন ঃ ৯৪২৭৫০৪৩৯৭


## বছৰেকীয়া গ্ৰাহকসকলৰ প্ৰতি এটি ঘোষণা

প্ৰান্তিকৰ নতুন বছৰেকীয়া গ্ৰাহক হ'বলৈ বা গ্ৰাহক নৱীকৰণৰ বাবে এতিয়াৰপৰা online যোগেও পইচা পঠিয়াব পাৰিব। ইয়াৰ বাবে প্ৰান্তিকৰ HDFC বেংকৰ চানমাৰি শাখাৰ একাউণ্ট নম্বৰ 50200049269502, IFSC–HDFC0000631 ব্যৱহাৰ কৰি পইচা জমা দিব পাৰিব। পইচা জমা দিয়াৰ লগে লগে আমাক নৱীকৰণৰ বাবে **গ্ৰাহক নম্বৰ** আৰু নতুন গ্ৰাহকৰ ক্ষেত্ৰত পিনক'ডসহ সম্পূৰ্ণ ঠিকনা আমাক e-mail (prantikasomiya@gmail.com) যোগে জনাব লাগিব। স্থানীয়ভাৱে প্ৰান্তিকৰ কাৰ্যালয়তো নগদ ধন বা চেকযোগে বৰঙণি দিব পাৰিব।

বৰঙণিৰ নিৰিখ ঃ **ভাৰতৰ ভিতৰত আৰু বাংলাদেশ, নেপাল আৰু ভূটানৰ বাবে** ঃ এবছৰত **৬৫০** টকা, দুবছৰত **১২০০** টকা, আৰু তিনি বছৰত **১৭৫০** টকা।

**বিদেশৰ বাবে ঃ**

**কানাডা, আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২৬৫০ টকা = **৩৩০০ টকা।**

**ইউৰোপ, এছিয়া আৰু আফ্ৰিকা ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২১৬০ টকা = **২৮১০ টকা।**

**প্ৰসন্ন শৰ্মা,**
ব্যৱস্থাপক, প্ৰান্তিক